# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 31-10-2025
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

ৰাজ্য চৰকাৰে আজি প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ মৃত্যুৰ ছিংগাপুৰত হোৱা মৰনোত্তৰ পৰীক্ষাৰ বিস্তৃত প্ৰতিবেদন লাভ কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কথা প্ৰকাশ কৰি কয় যে বিশেষ অনুসন্ধানকাৰী গোটৰ তদন্ত সঠিক দিশত আশানুৰূপভাৱে আগবাঢ়িছে আৰু সময়মতে তদন্তকাৰী গোটে অভিযোগনামা দাখিল কৰিব পাৰিব। আজি সন্ধিয়া মুখ্যমন্ত্ৰীগৰাকীয়ে সংবাদ মাধ্যমৰ আগত এইদৰে কয়।

বাইট

০০০০

উন্নয়নমুখী পৰিকল্পনাৰ জৰিয়তে এসময়ত অৱহেলাপূৰ্ণ অঞ্চল বুলি খ্যাত ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰটো বৰ্তমান বিকশিত অঞ্চললৈ ৰূপান্তিৰত হৈছে বুলি আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰে। মুখ্যমন্ত্ৰী ড০ শৰ্মাই আজি লখিমপুৰত কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ খেলপথাৰত আয়োজিত এখন জনসভাত অংশগ্ৰহণ কৰে। এই সভাতে ২৮৯ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা ২০৫ খন বিছনাযুক্ত লখিমপুৰ চিকিৎসা মহাবিদ্যালয়ৰ ছুপাৰ স্পেছিয়েলিটি হাস্পতাল আৰু নাৰ্ছিং কলেজ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। ড০ শৰ্মাই ইয়াৰ পূৰ্বে ৩০ খন আসনযুক্ত লখিমপুৰ কেন্সাৰ হাস্পতালৰ কেইবাটাও বিভাগ ৰাইজৰ বাবে মুকলি কৰে। ভাষণ প্ৰসঙ্গত তেওঁ কৰ্কট ৰোগৰ চিকিৎসাত চিকিৎসকসকলতকৈও নাৰ্চসকলৰ অৱদান অধিক বুলি উল্লেখ কৰে। নাৰ্চিং কলেজৰ সন্দৰ্ভত তেওঁ কয় যে এই মহাবিদ্যালয়খনত বি এছ্‌ চি নাৰ্চিঙৰ উপৰি এম এছ্‌ চি নাৰ্চিঙৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ বাবে প্ৰাৰম্ভিক প্ৰস্তুতি আৰম্ভ হৈছে বুলিও তেওঁ মন্তব্য কৰে। ৰাজ্যত অহা চাৰি-পাঁচ বছৰৰ ভিতৰত ৩০খন চিকিৎসা মহাবিদ্যালয় নিৰ্মাণ কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। প্ৰতি বছৰে দুখনকৈ মেডিকেল কলেজ স্থাপন কৰা হৈছে বুলিও তেওঁ উল্লেখ কৰে। প্ৰতি বছৰে ৰাজ্য চৰকাৰে ৰাজ্যত প

০০০০

সমগ্ৰ দেশতে ২১ ছেপ্তেম্বৰৰ পৰা চলি থকা সাংসদ খেল মহোৎসৱ আজি ডিব্ৰুগড়তো শুভাৰম্ভ কৰা হয়। আজি ডিব্ৰুগড়ৰ চৌকিদিঙি খেলপথাৰত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে এই খেল মহোৎসৱৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। খেল মহোৎসৱখন ২৫ ডিচেম্বৰত অন্ত পৰিব। ডিব্ৰুগড় আৰু তিনিচুকীয়া দুয়োখন জিলাৰ বিভিন্ন স্থানত সাংসদ খেল মহোৎসৱখন অনুষ্ঠিত হ'ব। অনুষ্ঠানটো উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয় যে সমাজ জীৱনত ক্ৰীড়াৰ যথেষ্ট প্ৰাসংগিকতা আছে আৰু ক্ৰীড়া

ক্ষেত্ৰত সফল প্ৰদৰ্শন কৰিবলৈ স্বাস্থ্যৰ সকলো দিশতে শক্তিশালী হ'ব লাগিব। সুস্থ সমাজ এখন নিৰ্মাণ কৰিবলৈ এটা সুস্থ শৰীৰ গঢ় দিব লাগিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০

দেশৰ বিভিন্ন স্থানৰ লগতে অসমতো আজি চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হয়। ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত আজি পুৱা একতাৰ বাবে দৌৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই ৰাষ্ট্ৰীয় একতা দিৱসত বিচক্ষণ ৰাজনীতিবিদ গৰাকীলৈ শ্ৰদ্ধা নিবেদন কৰাৰ লগতে সকলোকে ৰাষ্ট্ৰীয় সংহতি আৰু একতা অক্ষুণ্ণ ৰখাৰ বাবে নিজকে সমৰ্পণ কৰিবলৈ আহ্বান জনাইছে।

ৰাষ্ট্ৰীয় একতা দিৱসৰ সৈতে সংগতি ৰাখি গুৱাহাটী মহানগৰ আৰক্ষী আয়ুক্তৰ কাৰ্যালয়ৰ উদ্যোগত একতাৰ বাবে দৌৰ শীৰ্ষক কাৰ্যসূচী গ্ৰহণ কৰা হয়।

০০০০

বহু প্ৰতীক্ষাৰ অন্তত আজি ৰাজ্যখনৰ লগতে দেশৰ বিভিন্ন চহৰত জুবিন গাৰ্গৰ অন্তিমখন ছবি **ৰৈ ৰৈ বিনালে** মুক্তি দিয়া হয়। ইতিহাস ৰচনা কৰি পুৱা চাৰি বাজি ২৫ মিনিটৰ পৰাই ৰাজ্যখনত বোলছবিখনৰ দৰ্শনী আৰম্ভ হয়। প্ৰাণৰ শিল্পীগৰাকীৰ শেষ ছবিখন উপভোগ কৰিবলৈ ধলপুৱাতে বিভিন্ন ঠাইৰ ছবিগৃহসমূহত অনুৰাগীসকলে ভিৰ কৰে। পুৱাৰ ভাগত অহা বৰষুণকো নেওচি ডেকা-বুঢ়া নিৰ্বিশেষে সকলো লোক হিলদল ভাঙি ছবিগৃহলৈ আহে। প্ৰতিটো ছবিগৃহতে অনাগত কিছুদিনলৈ সকলো দৰ্শনীৰ বাবে টিকট ইতিমধ্যে শেষ হৈছে। নিশ্চিতভাৱে ৰৈ ৰৈ বিনালে বোলছবিখন অসমীয়া বোলছবি জগতত এটা মাইলৰ খুঁটি হিচাপে পৰিগণিত হ'ব।

০০০০

যশস্বী সুৰকাৰ, কবি, অভিনেতা, ঘোষক, নাট্যকাৰ আৰু বাদ্যযন্ত্ৰী চৈয়দ চাদুল্লাৰ নশ্বৰ দেহ আজি ডিব্ৰুগড়ত ৰাজ্যিক মৰ্যদাৰে শেষকৃত্য সম্পন্ন হয়। অসম আৰক্ষীৰ বেণ্ডে প্ৰয়াত শিল্পীগৰাকীলৈ চালামী প্ৰদৰ্শন কৰে। অনুষ্ঠানত ডিব্ৰুগড়ৰ পৌৰ নিগমৰ মেয়ৰ ডাঃ চৈকত পাত্ৰ, অসম পৰ্যটন নিগমৰ অধ্যক্ষ ৰিতুপৰ্ণ বৰুৱাৰ লগতে ডিব্ৰুগড় জিলাৰ উচ্চ পদস্থ বিষয়াসকল আৰু সদৌ অসম ছাত্ৰ সন্থাকে ধৰি বিভিন্ন দল সংগঠনে শিল্পীগৰাকীক শেষ শ্ৰদ্ধা জ্ঞাপন কৰে। ডিব্ৰুগড়ৰ নালিয়াপুল কবৰস্থানত সন্ধিয়া জানাজা সম্পন্ন কৰা হয়। উল্লেখযোগ্য যে শিল্পীগৰাকীয়ে কালি পুৱাৰ ভাগত গুৱাহাটী গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত শেষ নিশ্বাস ত্যাগ কৰিছিল।

০০০০

**ঃঃ সমাপ্ত ঃঃ**